# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

\- - - - - - - - - - - - -

অসমে ২০৩০ চনৰ  ভিতৰত ৩ হাজাৰ মেগাৱাট নিকা শক্তি উৎপাদন কৰাৰ লক্ষ্য স্থিৰ কৰিছে। দক্ষিণ কোৰিয়া ভ্ৰমণৰ আজি  অন্তিম দিনা চিউলত দেশখনৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ তথা ষ্টাৰ্ট আপ মন্ত্ৰী ইয়ং জুক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই  বিষয়ে প্ৰকাশ কৰে। সাক্ষাৎকালত মুখমন্ত্ৰীগৰাকীয়ে দক্ষিণ কোৰিয়াৰ সৈতে পাৰস্পৰিক সম্পৰ্ক বৃদ্ধিৰ বিভিন্ন দিশ আৰু অসম তথা কোৰিয়াৰ ষ্টাৰ্ট আপ গোটসমূহৰ মাজত সহযোগিতাৰ বিষয় লৈ আলোচনা কৰে। পাছত তেওঁ দক্ষিণ কোৰিয়াৰ চিলিকন ভেলী হিচাপে খ্যাত পাংগিঅ' ষ্টাৰ্ট আপ চৌহদো পৰিদৰ্শন কৰে। ড° শৰ্মাই লগতে চেমি কনডাক্টৰ আৰু এল ই ডি প্ৰযুক্তিৰ সৈতে জড়িত প্ৰতিষ্ঠান চিউল ভিঅ'চিচৰ মুখ্য কাৰ্যবাহী বিষয়া লি ইয়ং জোকক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ নতুনকৈ গঢ়ি উঠা চেমিকনডাক্টৰ খণ্ডত যোগদান কৰিবলৈ আহ্বান জনায়। দক্ষিণ কোৰিয়া ভ্ৰমণ সামৰি জাপানলৈ ৰাওনা হোৱা মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে তেওঁৰ কোৰিয়া ভ্ৰমণ ফলপ্ৰসূ  আছিল বুলি প্ৰকাশ কৰিছে। জাপান ভ্ৰমণকালত মুখ্যমন্ত্ৰীয়ে এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় সংস্কৰণ সন্দৰ্ভত উদ্যোগ জগতৰ কাণ্ডাৰীসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ প্ৰচাৰৰ অংশ হিচাপে আজি মন্ত্ৰী অশোক সিংহলে বেংগালুৰুৰ হোটেল আই টি চি গাৰ্ডেনিয়াত এখন বিনিয়োগকাৰী সন্মিলনত অংশগ্ৰহণ কৰে। এই সন্মিলনত মন্ত্ৰী সিংহলে আন্তঃগাথনি, উৎপাদন, নৱীকৰণযোগ্য শক্তি আৰু মানৱ সম্পদৰ উন্নয়নৰ ক্ষেত্ৰত পৰিৱৰ্তনশীল বিনিয়োগৰ দ্বাৰা পৰিচালিত অসমৰ বিকাশৰ দৃষ্টিভংগী সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। তেওঁ চেমিকনডাক্টৰ প্ৰকল্প আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এলিভেটেড কৰিড'ৰকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ কথা উল্লেখ কৰে। মন্ত্ৰী শ্ৰীসিংহলে আমাৰ ৰাজ্যখনৰ প্ৰাকৃতিক ঐতিহ্য, ৭ খনকৈ ৰাষ্ট্ৰীয় উদ্যান আৰু তিনিটাকৈ ইউনেস্কোৰ স্বীকৃতিপ্ৰাপ্ত বিশ্ব ঐতিহ্যক্ষেত্ৰই সমৃদ্ধ কৰা বহনক্ষম পৰ্যটনৰ প্ৰতি দায়বদ্ধতাৰ কথাও ভাষণত উল্লেখ কৰে। দক্ষিণ আৰু দক্ষিণ-পূৰ এছিয়াৰ সংহত আৰু দক্ষ যোগান শৃংখলৰ বাবে ৰাজ্যখনক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে তথা দক্ষিণ পূৰ এচিয়াৰ দুৱাৰমুখ হিচাপে অসমৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰী শ্ৰীসিংহলে বিনিয়োগকাৰীসকলক অসমত বিনিয়োগ কৰিবলৈ আহ্বান জনায়। আজিৰ সন্মিলনত বস্ত্ৰ শিল্প, শিক্ষা, অভিযান্ত্ৰিক, কৃষি জলসিঞ্চন, মহাকাশ আদি বিভিন্ন খণ্ডৰ ভালেকেইগৰাকী প্ৰতিনিধি উপস্থিত থাকে।

০০০

চলিত বছৰৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ বহিঃমূল্যায়নৰ দ্বিতীয় দিনাৰ কাৰ্যসূচী আজি সফলভাৱে সম্পন্ন হয়।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি **গুৱাহাটীৰ** কাহিলীপাৰাৰ ফাগুনা ৰাভা উচ্চ মাধ্যমিক বিদ্যালয় আৰু লক্ষ্মীনাথ বেজবৰুৱা মধ্য ইংৰাজী বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচীত ভাগ লয়। **চিৰাং** জিলাৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই আজি জিলাখনৰ বড়োবজাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, বড়োবজাৰ কস্তুৰবা বালিকা বিদ্যালয় আৰু চাৰাগাঁও মজলীয়া বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে **ধুবুৰী** জিলাৰ মাজপাৰা প্ৰাথমিক বিদ্যালয় আৰু পি এম শ্ৰী বি চি মেম'ৰিয়েল ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচী পৰিদৰ্শন কৰে। এই পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে বিদ্যালয়ৰ মধ্যাহ্ন ভোজনতো অংশ লয়। গুণোৎসৱত কালি ১৩ খন জিলাৰ ৫ হাজাৰ ৩৭১ খন বিদ্যালয়ৰ ৫ লাখ ১২ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ মূল্যায়ন কৰা হয়। এই পৰ্যায়ত চৰাইদেউ, ধেমাজি, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, তিনিচুকীয়া, শোণিতপুৰ, পশ্চিম কাৰ্বি আংলং, কামৰূপ মহানগৰ, ধুবুৰী, চিৰাং আৰু বাক্সা জিলাৰ মূল্যায়ন কৰা হয়।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ পুৱা ৯ বাজি ১৫ মিনিটৰ প্ৰভাতী তৰঙ্গ অনুষ্ঠানত **পথ সুৰক্ষা** বিষয়ক এটি বিশেষ আলোচনা প্ৰচাৰ কৰিব। এই পোনপটীয়া অনুষ্ঠানত পৰিবহন বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাস আৰু আঞ্চলিক পৰিবহন প্ৰাধিকৰণৰ প্ৰাক্তন সচিব দ্বীজেন দাস উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব ইন্দ্ৰজিৎ দাসে। এই অনুষ্ঠানটি আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখাৰ লগতে ফেচবুক পেজতো পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে ন্যায়ালয়ৰ নতুন ভৱনত ন্যায়াধীশ কাৰ্ডাক ইতে আৰু ন্যায়াধীশ মৃদুল কুমাৰ কলিতাক আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে শপতবাক্য পাঠ কৰোৱায়।

০০০

চিৰাং জিলা সদৰৰ কাজলগাওঁ থানাৰ অন্তৰ্গত বৈখুন গাওঁৰ জামাল বাদশ্বাহ নামৰ এজন ব্যক্তিৰ ঘৰত আজি আৰক্ষীয়ে তালাচী চলাই দুই জাই সজীৱ গুলিসহ এটা পিষ্টল উদ্ধাৰ কৰে। আৰক্ষীয়ে অভিযুক্ত জামাল বাদশ্বাহক আটক কৰি থানালৈ আনে যদিও স্থানীয় লোকে জামাল বাদশ্বাহ নিৰ্দোষী বুলি দাবী কৰে। ৰাইজে অভিযুক্ত জামাল বাদশ্বাহক মোকলাই দিয়াৰ দাবীত থানা ঘেৰাও কৰে।

০০০

গুৱাহাটী মহানগৰ আৰক্ষীয়ে আজি মহানগৰীৰ বিভিন্ন ঠাইত অভিযান চলাই ৬ জনকৈ গভাইত চোৰক কৰায়ত্ত কৰিবলৈ সমৰ্থ হয়। ইয়াৰে দুটা চোৰ ক্ৰমে বৰাগাওঁৰ সাগৰ তামাং আৰু কটাহবাৰীৰ মহিবুল ইছলামক বেটেৰী চুৰিৰ অভিযোগত আৰক্ষীয়ে আটক কৰে। মহানগৰ আৰক্ষীৰ আন এটা অভিযানত চুৰি সামগ্ৰীসহ আন ৪ টা চোৰক আটক কৰা হয়। ধৃত চোৰকেইটা ক্ৰমে কামৰূপ গৰৈমাৰীৰ অজিত আলি, আহমদ আলি, ৰাজেদ আলি আৰু বকোৰ মহিৰুদ্দিন আলি বুলি চিনাক্ত কৰা হৈছে।

০০০